**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-12-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***

***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ উত্তৰ কৰ্ণাটকাৰ কাৰৱাৰত থকা আই এন এছ্ কদম্বা নৌসেনা ঘাটিলৈ যাব।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব।

৩। দেশৰ বিভিন্ন ৰাজ্যৰ উপকূলৱৰ্তী আৰু ভিতৰুৱা অঞ্চলত উপলব্ধ দুষ্প্ৰাপ্য খনিজ পদাৰ্থ আহৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৭ হাজাৰ কোটিতকৈ অধিক টকাৰ অনুমোদন জনাইছে।

৪। নতুন দিল্লীত আজি সীমা শুল্ক অনুমোদন সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়।

*আৰু*

৫। ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ চলিত মহিলা টী-টুৱেণ্টী ক্ৰিকেট প্ৰতিযোগিতাৰ চতুৰ্থখন খেল কাইলৈ তিৰুৱনন্তপুৰমত অনুষ্ঠিত হ'ব।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ উত্তৰ কৰ্ণাটকাৰ কাৰৱাৰত থকা আই এন এছ্ কদম্বা নৌসেনা ঘাটিলৈ যাব। শ্ৰীমতী মুৰ্মুৱে বিমানেৰে গোৱাৰ পৰা কৰৱাৰলৈ যাব। কাৰৱাৰত কৰ্ণাটকৰ ৰাজ্যপাল থাৱৰচান্দ গেহলট ৰাজ্যখনৰ মন্ত্ৰীসকলে শ্ৰীমতী মুৰ্মুক আদৰণি জনাব। নৌসেনাৰ ঘাটিত উপস্থিত হোৱাৰ পাছত শ্ৰীমতী মুৰ্মুৱে কাৰৱাৰ বন্দৰত এখন ছাবমেৰিনত কিছুসময়ৰ বাবে যাত্ৰা কৰিব। প্ৰাক্তন ৰাষ্ট্ৰপতি এ পি জে আব্দুল কালামৰ পাছত ছাবমেৰিনত যাত্ৰা কৰা শ্ৰীমতী মুৰ্মু হ'ব দ্বিতীয়গৰাকী ৰাষ্ট্ৰপতি। ৰাষ্ট্ৰপতিৰ ভ্ৰমণ আৰু ছাবমেৰিণ যাত্ৰাৰ প্ৰতি লক্ষ্য ৰাখি অঞ্চলটোৰ প্ৰতিৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। স্থানীয় প্ৰশাসনে কাৰৱাৰৰ পৰা মাজালীলৈকে ১৮ কিলোমিটাৰ দূৰত্বৰ ভিতৰত মাছ ধৰাৰ ক্ষেত্ৰত বাধা আৰোপ কৰিছে।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। ভ্ৰমণকালত শ্ৰীশ্বাহে গুৱাহাটী আৰু বটদ্ৰবাত কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ পৰহিলৈ নগাঁও জিলাৰ বটদ্ৰৱাত অসম চৰকাৰে নতুনকৈ নিৰ্মাণ কৰি উলিওৱা ঐতিহাসিক বটদ্ৰৱা প্ৰকল্প উদ্বোধন কৰিব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাক কলা-সংস্কৃতি আৰু আধ্যাত্মিকতাৰ অন্যতম প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লগতে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ কৰি তোলাত এই প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

গৃহমন্ত্ৰী শ্ৰী শ্বাহে একেদিনাই গুৱাহাটীৰ নতুন আৰক্ষী আয়ুক্তালয় আৰু খানাপাৰাত নৱ-নিৰ্মিত জ্যোতি বিষ্ণু প্ৰেক্ষাগৃহ উদ্বোধন কৰিব। ৫ হাজাৰ খন আসনযুক্ত এই প্ৰেক্ষাগৃহ উত্তৰ পূৰ্বাঞ্চলৰ অন্যতম বৃহৎ প্ৰেক্ষাগৃহ হিচাপে পৰিগণিত হ'ব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ২৯ ডিচেম্বৰৰ বিয়লি ৪ বজাত আয়োজিত এটা অনুষ্ঠানত প্ৰেক্ষাগৃহটো উদ্বোধন কৰিব। আনহাতে, আৰক্ষী আয়ুক্তালয়ৰ নৱ নিৰ্মিত ৮ মহলীয়া ভৱনটো উন্নত প্ৰযুক্তিৰে সজ্জিত কৰা হৈছে। ইয়াত অন্যান্য সা-সুবিধাৰ লগতে গুৱাহাটী স্মাৰ্ট ছিটি প্ৰকল্পৰ জৰিয়তে নিৰ্মিত মহানগৰীৰ দুহেজাৰৰো অধিক চি চি টিভি নিৰীক্ষণৰে সমৃদ্ধ সংহত নিয়ন্ত্ৰণ আৰু নিৰ্দেশনা কেন্দ্ৰ থাকিব। ভৱনটোৰ চতুৰ্থ মহলাত থকা এই কেন্দ্ৰটো গৃহমন্ত্ৰীগৰাকীয়ে আনুষ্ঠানিকভাৱে মুকলি কৰিব।

০০০০০০০০০

গ্ৰাহক পৰিক্ৰমা বিভাগৰ ধ্বজাবাহী উদ্যম ৰাষ্ট্ৰীয় গ্ৰাহক হেল্পলাইনৰ জৰিয়তে গ্ৰাহকক এতিয়ালৈ ৩১ টা খণ্ডৰ ৪৫ কোটিতকৈ অধিক ধন ওভতাই দিয়া হৈছে। গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে কৈছে যে এই উদ্যমৰ

অধীনত যোৱা ৮ মাহত ৬৭ হাজাৰতকৈ অধিক গ্ৰাহকৰ ওজৰ-আপত্তি নিষ্পত্তি কৰা হৈছে। মন্ত্ৰালয়ে লগতে জানিবলৈ দিয়া মতে ইয়াৰ ভিতৰত ৩৯ হাজাৰতকৈও অধিক ওজৰ-আপত্তি ই-কমাৰ্চ খণ্ডৰ আছিল। ই-কমাৰ্চৰ ওজৰ-আপত্তিসমূহৰ বাবে ৩২ কোটি টকা ওভতাই দিয়া হৈছে। মন্ত্ৰালয়ে লগতে কৈছে যে হেল্পলাইনৰ বাবে গ্ৰাহকসকলে প্ৰাক্ মোকৰ্দমাৰ পৰ্যায়তে নিজৰ ওজৰ-আপত্তিসমূহ নিষ্পত্তি কৰাৰ সুবিধা পাইছে। গ্ৰাহকসকলে ১৯১৫ শুল্কবিহীন নম্বৰৰ জৰিয়তে ১৭টা ভাষাত নিজৰ ওজৰ-আপত্তি পঞ্জীয়ন কৰিব পাৰে।

0000000

অষ্ট্ৰেলিয়াৰ স্বাস্থ্য বিষয়াসকলে ভাৰতৰ এটা আগশাৰীৰ প্ৰতিষেধক নিৰ্মাণ কোম্পানী Indian Immunologicals Limited চমুকৈ IIL -এ ভাৰততে জলাতংক প্ৰতিষেধক অভৈৰেৰৰ নকল ঔষধ বিক্ৰী কৰি থকা বুলি উত্থাপন কৰা অভিযোগ কোম্পানীটোৱে প্ৰত্যাখ্যান কৰিছে। অষ্ট্ৰেলিয়াৰ প্ৰযুক্তি পৰামৰ্শদাতা গোটে ২০২৩ চনৰ নৱেম্বৰৰ পৰা কোম্পানীটোৱে নকল প্ৰতিষেধক বিক্ৰী কৰি আহিছে বুলি প্ৰকাশ কৰিছে। অৱশ্যে প্ৰতিষেধক নিৰ্মাণ কোম্পেনীটোৱে এখন বিবৃতিযোগে বিষয়টোৰ সত্যতা নুই কৰিছে। IIL-এ স্পষ্ট কৰি দিয়ে যে দেশত নিৰ্মিত প্ৰতিপালি প্ৰতিষেধক কেন্দ্ৰীয় ঔষধ পৰীক্ষাগাৰত পৰীক্ষা কৰাৰ পাছতহে বজাৰত মুকলি কৰি দিয়া হয়।

0000000

দেশৰ বিভিন্ন ৰাজ্যৰ উপকূলৱৰ্তী আৰু ভিতৰুৱা অঞ্চলত উপলব্ধ দুষ্প্ৰাপ্য খনিজ পদাৰ্থ আহৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৭ হাজাৰ কোটিতকৈ অধিক টকাৰ অনুমোদন জনাইছে। এই খনিজসমূহ অন্ধ্ৰপ্ৰদেশ ওড়িশা, তামিলনাডু, কেৰালা, পশ্চিমবংগ, ঝাৰখণ্ড, গুজৰাট আৰু মহাৰাষ্ট্ৰৰ সমুদ্ৰতীৰৰ বালিচৰ, ৰঙাবালি আৰু বোকা আলতীয়া মাটিত প্ৰচুৰ পৰিমাণে মজুত হৈ আছে। এই দুৰ্লভ খনিজসমূহ আহৰণৰ জৰিয়তে চৰকাৰে ছিণ্টেৰেড ৰেয়াৰ আৰ্থ পাৰ্মেণেণ্ট মেগনেট চমুকৈ আৰ ই পি এম নিৰ্মাণত উদগনি যোগোৱাৰ উদ্দেশ্যে ব্যৱস্থা গ্ৰহণ কৰিছে। এই আঁচনিৰ লক্ষ্য হৈছে উচ্চ মূল্যসম্পন্ন চুম্বক উৎপাদনৰ বাবে দেশৰ প্ৰথমটো সমন্বিত ঘৰুৱা উৎপাদন পৰিস্থিতি তন্ত্ৰ গঢ়ি তোলা।

0000000

নতুন দিল্লীত আজি সীমা শুল্ক অনুমোদন সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। দিল্লী মণ্ডলৰ মুখ্য সীমা শুল্ক আয়ুক্তৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত সহযোগী পক্ষসমূহৰ বিশ্বাস শক্তিশালী কৰাৰ উদ্দেশ্যে ব্যৱস্থা গ্ৰহণ কৰা হয়। এই বৈঠকত এফ এছ এছ এ আই, প্লেণ্ট কোৱাৰেণ্টাইন, ঔষধ নিয়ন্ত্ৰকৰ দৰে চৰকাৰী ভালেমান সংস্থাৰ লগতে বিভিন্ন বাণিজ্যিক সহযোগীয়ে অংশগ্ৰহণ কৰে বুলি বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। বিত্তমন্ত্ৰীয়ে প্ৰকাশ কৰা অনুসৰি বৈঠকত হোৱা আলোচনাকালত কেন্দ্ৰীয় পৰোক্ষ কৰ আৰু সীমা শুল্ক ব'ৰ্ডৰ শেহতীয়া সকলো নীতি আৰু ডিজিটেল পদক্ষেপৰ বিষয়ে সকলো পক্ষৰে সৈতে আলোচনা কৰে। দিল্লী সীমাশুল্ক মণ্ডলত ইয়াৰ ৰূপায়ণৰ আন্তঃগাঁথনি সন্দৰ্ভতো গুৰুত্ব আৰোপ কৰা হয়। সহযোগী সকলো পক্ষই এই বিষয়ত বিভিন্ন গঠনমূলক প্ৰশ্ন উত্থাপন কৰে বুলি বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। এই বৈঠকতে দিল্লী সীমা শুল্ক মণ্ডলে ব্যৱসায়ৰ সুচলতা বৃদ্ধিৰ ক্ষেত্ৰত তেওঁলোকৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে দোহাৰে।

0000000

অসমত আজি সন্ধিয়া প্ৰায় ৬ বাজি ১২ মিনিটত এটা মৃদু ভূমিকম্পৰ জোকাৰণি অনুভুত হয়। ৰিখটাৰ স্কেলত এই ভূমিকম্পৰ প্ৰাবল্য ৪ দশমিক ২ বুলি জানিব পৰা গৈছে। ভূমিকম্পৰ অভিকেন্দ্ৰ ঢেকিয়াজুলিৰ পৰা ১৩ কিলোমিটাৰ নিলগত বুলি কোৱা হৈছে। অৱশ্যে এতিয়ালৈ এই ভূমিকম্পৰ ফলত কোনো ক্ষয় ক্ষতিৰ তথ্য পোৱা হোৱা নাই।

0000000

চীনৰ বৈদেশিক মন্ত্ৰালয়ে টাইৱানক অস্ত্ৰ-শস্ত্ৰ বিক্ৰী কৰাৰ ক্ষেত্ৰত ১০ গৰাকী ব্যক্তি আৰু ২০ টা আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিৰক্ষা কোম্পানীৰ ওপৰত প্ৰতিবন্ধকতা আৰোপ কৰিছে বুলি ঘোষণা কৰিছে। ব্যক্তিসকলৰ ভিতৰত প্ৰতিৰক্ষা কোম্পানী এণ্ডুৰিল ইণ্ডাষ্ট্ৰীজৰ প্ৰতিষ্ঠাপক আৰু প্ৰতিবন্ধকতা আৰোপ কৰা ৯ টা কোম্পানীৰ জ্যেষ্ঠ কাৰ্যবাহী বিষয়াও আছে। এই বিষয়াসকলক চীনত প্ৰৱেশ কৰাৰ ক্ষেত্ৰতো বাধা আৰোপ কৰা হৈছে। প্ৰতিবন্ধকতা আৰোপ কৰা কোম্পানীসমূহৰ ভিতৰত নৰ্থৰপ গ্ৰুমন চিষ্টেম্ছ কৰ্প'ৰেচন, এল থ্ৰী হেৰিচ মেৰিটাইম ছাৰ্ভিচেছ আৰু বয়িঙৰ চেণ্ট লুইচ শাখা অন্যতম।

0000000

ইউক্ৰেইনৰ ৰাজধানী কীৱত যোৱানিশা ৰাছিয়াই কৰা আক্ৰমণত এগৰাকী ব্যক্তিৰ মৃত্যু হোৱাৰ লগতে ২৭ জন আহত হৈছে। ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে কৈছে যে ইউক্ৰেইনৰ শক্তি, আন্তঃগাঁথনি আৰু সেনা ঔদ্যোগিক ব্যৱস্থাসমূহ ধ্বংস কৰাৰ উদ্দেশ্যে ৰাছিয়াৰ সেনাবাহিনীয়ে এই আক্ৰমণত দীৰ্ঘ দূৰত্বৰ অস্ত্ৰ, ক্ষেপনাস্ত্ৰৰ লগতে ড্ৰোণৰ ব্যৱহাৰ কৰা বুলি উল্লেখ কৰিছে। এই আক্ৰমণত দেশখনৰ কিছু অঞ্চল বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। উল্লেখযোগ্য যে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভলডিমিৰ জেলেনস্কি যোৱা প্ৰায় ৪ বছৰ ধৰি ৰাছিয়াৰ সৈতে চলি থকা যুদ্ধৰ অৱসান ঘটোৱা বিষয় সন্দৰ্ভত  কাইলৈ ফ্লৰিডাত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সৈতে বৈঠকত মিলিত হোৱাৰ কথা।

০০০০০০০

বাংলাদেশৰ কেৰাণিগঞ্জৰ হাছনাবাদ অঞ্চলৰ ওস্মাল কুৰাৰা আন্তঃৰাষ্ট্ৰীয় মাদ্ৰাছাত আজি দুপৰীয়া সংঘটিত এটা বোমা বিস্ফোৰণত দুগৰাকী মহিলা আৰু দুটি শিশুকে ধৰি চাৰিগৰাকী লোক আঘাতপ্ৰাপ্ত হয়। কেৰাণিগঞ্জ আৰক্ষীচকীৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীয়ে জনোৱা মতে বিস্ফোৰণ সংঘটিত হোৱা অঞ্চলটোত তালাচী অভিযান অব্যাহত আছে। অভিযানৰ সময়ত পেট্ৰ'ল বোমা, ৰাসায়নিক দ্ৰব্যকে ধৰি প্ৰায় ২৫০ কিলোগ্ৰাম ওজনৰ বোমা প্ৰস্তুত কৰা সা-সামগ্ৰী উদ্ধাৰ কৰা হৈছে। বোমা নিষ্ক্ৰীয়কাৰীসকলে সফলতাৰে এই খাৰ-বাৰুদসমূহ নিষ্ক্ৰীয় কৰা বুলি বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে। ঘটনা সন্দৰ্ভত দুগৰাকী মহিলাক সোধা-পোছাৰ বাবে গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০০০০

বেলুচিস্তান লিবাৰেচন ফ্ৰণ্ট চমুকৈ বি এল এফে পাকিস্তানী সেনাৰ ওপৰত চলোৱা দুটা পৃথক আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে। এটা বিবৃতিত সংগঠনটোৰ মুখপাত্ৰই যোৱা বৃহস্পতিবাৰে ছোৰাব বজাৰত যুটীয়া সীমান্ত বাহিনী আৰু আৰক্ষী পহৰা চকীত সংঘটিত আক্ৰমণ বি এল এফে চলোৱা বুলি স্বীকাৰ কৰিছে। একেদিনাই অ'ৰমাৰাৰ বাছুল অঞ্চলত সেনা শিবিৰতো বি এল এফে আক্ৰমণ কৰা বুলি মুখপাত্ৰই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে বেলুচিস্তানৰ নাগৰিকে পাকিস্তানৰ পৰা পৃথক হৈ স্বাধীন হোৱাৰ বাবে সংগ্ৰাম অব্যাহত ৰাখিছে।

০০০০০০০

ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ চলিত মহিলা টী-টুৱেণ্টী ক্ৰিকেট প্ৰতিযোগিতাৰ চতুৰ্থখন খেল কাইলৈ তিৰুৱনন্তপুৰমত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতে তৃতীয়খন খেলত শ্ৰীলংকাক ৮ উইকেটত পৰাস্ত কৰিছিল। পাঁচখনীয়া টী-২০ প্ৰতিযোগিতাত ভাৰতে ইতিমধ্যে ৩-০ৰ অগ্ৰগতিৰে শৃংখলা হস্তগত কৰিছে।

০০০০০০০

**সমাপ্ত**